# Prime Minister performs Pooja at Jeshoreshwari Kali Shaktipeeth

March 27, 2021

# যশোৰেশ্বৰী কালী শক্তিপীঠত পূজা অৰ্চনা প্ৰধানমন্ত্ৰী

**মাৰ্চ 27, 2021**

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীয়ে তেওঁৰ দুদিনীয়া ভ্ৰমণসূচীৰ দ্বিতীয় দিনা মা কালীৰ আশীৰ্বাদ লৈ আৰম্ভ কৰে৷ প্ৰধানমন্ত্ৰীয়ে সাতখিৰাত যশোৰেশ্বৰী কালী শক্তিপীঠত পূজা অৰ্চনা কৰে, যিখন পৌৰাণিক পৰম্পৰাৰ ৫১খন শক্তিপীঠৰ অন্যতম৷ প্ৰধানমন্ত্ৰীয়ে লগতে মা কালীৰ শিৰত ৰূপ আৰু সোণ খচিত হস্তনিৰ্মিত মুকুট স্থাপন কৰে৷ এই মুকুটটো স্থানীয় এগৰাকী খনিকৰে তিনি সপ্তাহত প্ৰস্তুত কৰি উলিয়াইছে৷

বন্ধুত্বপূৰ্ণ সহায়ৰ হাত হিচাপে প্ৰধানমন্ত্ৰীয়ে মন্দিৰৰ চৌহদত ঘূৰ্ণীবতাহত পীড়িত লোকসকলে আশ্ৰয় ল’ব পৰাকৈ এটা সমূহীয়া ভৱন নিৰ্মাণৰ বাবে অনুদান আগবঢ়াব বুলি ঘোষণা কৰে৷ এই ভৱনটো বাৰ্ষিক কালী পূজা আৰু মন্দিৰৰ মেলাৰ সময়ত ভক্তসকলে ব্যৱহাৰ কৰিব আৰু সকলো ধৰ্মৰ মানুহে ঘূৰ্ণীবতাৰ সময়ত নিৰাপদ আশ্ৰয়স্থল হিচাপে এইটো ব্যৱহাৰ কৰিব পাৰিব৷

**ঢাকা**

**মাৰ্চ 27, 2021**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA’s website and may be referred to as the official press release.